
কেৱল অধিকাৰৰ ওপৰতহে গুৰুত্ব দি থাকিব নালাগে।

**মৌলিক কৰ্তব্য (Fundumental Duties):** ভাৰতীয় সংবিধানখন কাৰ্যকৰী কৰাৰ সময়ত মৌলিক অধিকাৰৰ লগত মৌলিক কৰ্তব্য সন্নিবিষ্ট কৰা নাছিল। কিন্তু সংবিধানৰ ৪২ তম সংশোধনীৰ জৰিয়তে ১৯৭৫ চনত কিছুমান মৌলিক কৰ্তব্য সংবিধানত অন্তভুক্ত কৰা হয়। ভাৰতীয় সংবিধানৰ ৫১(ক) নং অনুচ্ছেদত ভাৰতীয়

নাগকিৰ বাবে ১০ বিধ মৌলিক কৰ্তব্য উল্লেখ কৰা হৈছে। কিন্তু ২০০2 চনত ৮৬ তম সংবিধান সংশোধনীৰ জৰিয়তে ৫১ (ক) নং অনুচ্ছেদত (ট) নতুনকৈ সংযোজন কৰাৰ ফলত বৰ্তমান মৌলিক কৰ্তব্য ১১ বিধ হৈছে। অৱশ্যে এই মৌলিক কৰ্তব্যসমূহৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হোৱা নাই। এই ১১ বিধ মৌলিক কৰ্তব্য হ'লঃ

১। সংবিধান মানি চলা, জাতীয় পতাকা আৰু জাতীয় প্ৰতীকৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা; ২। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ মহান আদৰ্শ অনুসৰণ কৰা; ৩। ভাৰতবৰ্ষৰ সাৰ্বভৌমত্ব, ঐক্য আৰু সংহতি ৰক্ষা কৰা; ৪। দেশক ৰক্ষা কৰা আৰু আৱশ্যক মতে দেশৰ বাবে সেৱা আগবঢ়োৱা; ৫। ভাৰতৰ বিভিন্ন অঞ্চলত বসবাস কৰা বিভিন্ন ধৰ্ম আৰু ভাষা-ভাষী লোকৰ মাজত ভাতৃত্বৰ ভাৱ জগাই তোলা আৰু মহিলাসকলৰ প্ৰতি মৰ্যাদা হানিকৰ আচৰণ কৰাৰ পৰা বিৰত থকা; ৬। আমাৰ দেশৰ মূল্যৱান ঐতিহ্যৰ প্ৰতি গুৰুত্ব দিয়া আৰু সংৰক্ষণ কৰা; ৭। প্ৰাকৃতিক পৰিৱেশ অৰ্থাৎ হাবি-বননি, হ্ৰদ, নদ-নদী, বন্য জন্তু আদি ৰক্ষা কৰা আৰু সকলো জীৱিত প্ৰাণীৰ প্ৰতি সদয় হোৱা; ৮। বৈজ্ঞানিক দৃষ্টি-ভংগীৰ বিকাশ সাধন কৰা, মানৱতাবোধ, অনুসন্ধিৎসু তথা সংস্কাৰ মনোভাৱত বিকাশ সাধন কৰা; ৯। ৰাজহুৱা সম্পত্তি ৰক্ষা কৰা, হিংসাৰ মনোভাৱ পৰিত্যাগ কৰা; ১০। ব্যক্তিগত আৰু সমূহীয়া কাম-কাজৰ উন্নতি ঘটাবলৈ যত্ন কৰা আৰু দেশক উন্নতিৰ পথত আগবঢ়াই নিবলৈ চেষ্টা কৰা। আৰু ১১। অভিভাৱকসকলে তেওঁলোকৰ ৬ বছৰৰ পৰা ১৪ বছৰৰ অনুৰ্দ্ধৰ ল'ৰা-ছোৱালীক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা গ্ৰহণৰ সুযোগ প্ৰদান কৰা।




সংবিধানে ওপৰত উল্লেখ কৰা কৰ্তব্যসমূহ পালন কৰিবৰ বাবে নাগৰিকক নিৰ্দেশ দিছে যদিও এইবিলাক পালন কৰা সম্পৰ্কত আইনৰ কোনো বাধ্য-বাধকতা ৰখা নাই। কাৰণ, মৌলিক কৰ্তব্য বিলাক সংবিধানৰ নিৰ্দেশাত্মক নীতিৰ অধ্যায়তহে অন্তৰ্ভুক্ত কৰা হৈছে। গতিকে কোনো নাগৰিকে এই কৰ্তব্যসমূহ পালন নকৰিলেও বা উলংঘা কৰিলেও শাস্তি দিয়াৰ ব্যৱস্থা নাই। কিন্তু সেইবুলি এই কৰ্তব্যসমূহ মূল্যহীন বুলি ক'ব নোৱাৰি। এখন স্বাধীন

গণতান্ত্ৰিক দেশৰ নাগৰিকে নিজৰ মঙ্গলৰ বাবেই এই কৰ্তব্যসমূহ মানি চলাতো আৱশ্যক। গণতন্ত্ৰক জীয়াই ৰখা আৰু কৃতকাৰ্য কৰি তুলিবলৈ এই কৰ্তব্যসমূহ সকলো নাগৰিকে পালন কৰাতো অত্যন্ত আৱশ্যক।

**মৌলিক কৰ্তব্যৰ গুৰুত্ব (Importance of Fundumental Duties):** ইতিমধ্যে উল্লেখ কৰি অহা হৈছে মৌলিক কৰ্তব্য বিলাকক বাস্তৱায়িত কৰিবৰ বাবে কোনো সংবিধানৰ দফা নাইবা অনুচ্ছেদ নাই। তথাপি ন্যায়ালয়ে এই কৰ্তব্যবিলাকক বাস্তৱত ৰূপায়িত কৰিবলৈ চৰকাৰে কৰা আইনক সদায় শ্ৰদ্ধা কৰি আহিছে। কোনো ব্যক্তিয়ে যদি ইচ্ছাকৃতভাৱে সংবিধানক অসন্মান কৰে, ৰাজহুৱা সম্পত্তি নষ্ট কৰে তেনে ক্ষেত্ৰত ন্যায়ালয়ে বা চৰকাৰে ব্যৱস্থা হাতত ল'ব পাৰে। উচ্চতম ন্যায়ালয়ে মত প্ৰকাশ কৰিছে যে কৰ্তব্য বিলাক কেৱল নাগৰিকসকলৰ বাবেই বাধ্যতামূলক নহয়, ৰাষ্ট্ৰইয়ো এই লক্ষ্যবিলাক পূৰণ কৰিবৰ বাবে যত্ন কৰিব লাগে। সেয়েহে ন্যায়ালয়ে প্ৰয়োজন হ'লে নিৰ্দেশাৱলীও জাৰি কৰিব পাৰে।

সভ্য সমাজত অধিকাৰ আৰু কৰ্তব্য সদায় পৰিপূৰক। মৌলিক কৰ্তব্য বিলাক প্ৰত্যেক ভাৰতীয়ই পালন কৰা উচিত। বিশ্বৰ বহু সংবিধানে এই অধিকাৰ আৰু কৰ্তব্যক একেলগে সন্নিৱিষ্ট কৰিছে। মৌলিক কৰ্তব্যত অন্তৰ্ভুক্ত কৰা বিভিন্ন দিশবিলাক বাস্তৱত ৰূপায়িত কৰিলেহে এখন প্ৰকৃত গণতান্ত্ৰিক সমাজবাদী ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ সপোন বাস্তবায়িত হৈ উঠিব।

**দেশৰ সাৰ্বভৌমত্ব আৰু সংহতিৰ সুৰক্ষা ও নাগৰিকৰ কৰ্তব্য (Duties of Indian Citizens with Special Emphasis on the Preservation of Sovereignty and Integrity of the Nation):**

১৯৬০ আৰু ১৯৭০ৰ দশকত সাম্প্ৰদায়িকতাবাদ, আঞ্চলিকতাবাদ, সন্ত্ৰাসবাদ আদি বিভিন্ন ৰাজনৈতিক সামাজিক আৰু অৰ্থনৈতিক সমস্যাই ভাৰতবৰ্ষক জৰ্জৰিত কৰি তোলে। সাম্প্ৰদায়িকতাবাদ (Communalism)এ ধৰ্মৰ ভিত্তিত মানুহক বিভাজন কৰি এখন ধৰ্মীয় ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ বাবে যত্ন কৰে। এনে সাম্প্ৰদায়িকতা ভাব সৃষ্টি কৰাত বহু ৰাজনৈতিক দলে উচটনি দিছে। হিন্দু আৰু মুছলমান লোকসকলৰ মাজত বিভেদৰ বীজ সুমুৱাই দি ভাৰতবৰ্ষক দুৰ্বল কৰাৰ এক ষড়যন্ত্ৰ চলিছে।

ঠিক সেইদৰে আঞ্চলিকতাবাদ, গোষ্ঠীবাদ আদিৰ ফলত কিছুমান ঠেক, সংকীৰ্ণ মনোভাৱৰ সৃষ্টি হৈছে। আঞ্চলিকতাবাদ (Regionalism) মানেই সংকীৰ্ণ বুলি ক'লে ভুল হ'ব যদিও এই আঞ্চলিকতাবাদ আদৰ্শই এক বৃহৎ ৰাষ্ট্ৰীয় সত্বাক আকোৱালি ল'ব নোৱাৰে। তদুপৰি আঞ্চলিকতাবাদৰ অৰ্থ ইমান ঠেক হৈ পৰিছে যে জিলা, খণ্ড পৰ্যায়ৰ লোকে অন্য এখন জিলা বা খণ্ডৰ লোকক অৰ্থনৈতিক লাভালাভৰ বাবে ইজনে সিজনক সহ্য কৰিব নোৱাৰা হৈ পৰিছে।

বৰ্তমান ভাৰতবৰ্ষৰ ঐক্য আৰু সংহতিক বিপদাপন্ন কৰিব পৰা আটাইতকৈ ভয়ানক দিশটো হৈছে সন্ত্ৰাসবাদী (Terrorism) তথা বিচ্ছিন্নতাবাদ (Secessionism)ৰ প্ৰাদুৰ্ভাৱ। ভাৰতৰ বহু গোষ্ঠী তথা জাতীয়তাই নিজৰ দাবীসমূহ সাব্যস্ত কৰিবৰ বাবে সন্ত্ৰাসবাদৰ আশ্ৰয় লৈছে। বহুতে আকৌ নিজৰ দাবী সাব্যস্ত কৰিবৰ বাবে ভাৰতৰ পৰা পৃথক হৈ যোৱাৰ দাবী তুলিছে। এনে সন্ত্ৰাসবাদে সমাজত অৰাজকতাৰ সৃষ্টি কৰে, মানুহৰ মৌলিক অধিকাৰ খৰ্ব হয়, আৰু সন্ত্ৰাসবাদৰ দ্বাৰা পীড়িত ব্যক্তিৰ অন্ন-বাসস্থানৰ একো নিশ্চয়তা নাথাকে।

এই সকলোবিলাক শক্তিয়েই ভাৰতবৰ্ষৰ ঐক্য, সংহতি আৰু সাৰ্বভৌমত্ব বিপদাপন্ন কৰি তুলিছে। এটা জাতিগোষ্ঠীৰ নিজস্ব দাবী পূৰণৰ কাৰণে অস্ত্ৰ তুলি লোৱাৰ যিমানেই অধিকাৰ নাথাকক কিয়, এই কথা অনস্বীকাৰ্য যে এনে অস্ত্ৰ-শস্ত্ৰই সমাজক এক অনিশ্চয়তাৰ গৰ্ভৰ মাজলৈ ঠেলি দিয়ে, সমাজত সুৰক্ষা নাইকিয়া কৰে।

শান্তিপূৰ্ণ আলোচনাৰ মাজেদিহে এনে সমস্যাবিলাক সমাধান কৰাটো সম্ভৱ।

তদুপৰি বহু বহিৰাগত শক্তিয়েও ভাৰতবৰ্ষৰ ঐক্য বিনষ্ট কৰিবৰ বাবে যত্ন চলাইছে। আমাৰ ওচৰ-চুবুৰীয়া কিছুমান দেশে সন্ত্ৰাসবাদী তথা বিচ্ছিন্নতাবাদী লোকসকলক সকলো প্ৰকাৰে সহায় কৰি ভাৰতৰ স্থিতি দুৰ্বল কৰাৰ প্ৰয়াস কৰি আহিছে।

এনে পৰিস্থিতিত ভাৰতীয় নাগৰিকৰ বহু কৰ্তব্য আছে। সাম্প্ৰদায়িকতাবাদ, সন্ত্ৰাসবাদ আদিৰ দৰে সমস্যাবিলাক সমাধান কৰাত নাগৰিকসকলৰ বহু কৰ্তব্য আছে। সাম্প্ৰদায়িকতাবাদৰ বীজ সুমুৱাবলৈ যত্ন কৰা শক্তিবিলাকক পৰাভূত কৰিব লাগিব ভাৰতীয় জনসাধাৰণে। তদুপৰি সন্ত্ৰাসবাদৰ বলি হোৱা বা আঁকোৱালি লোৱা লোকসকল সমাজৰ ভাই-ভনী। এনে লোকসকলক বুজোৱাৰ দায়িত্ব পৰিয়ালৰ তথা বয়োজ্যেষ্ঠ লোকসকলৰ।

বিভিন্ন বে-চৰকাৰী অনুষ্ঠান, সামাজিক অনুষ্ঠান আদিয়েও দেশৰ অখণ্ডতা ৰক্ষা কৰাত সহায় কৰিব পাৰে। উদাহৰণস্বৰূপে— অসমত অসম সাহিত্য সভাৰ দৰে অনুষ্ঠানে এখন শান্তিপূৰ্ণ অসমৰ বাবে সদায় মাত মাতি আহিছে। বহুতো বে-চৰকাৰী অনুষ্ঠানে নিজাববীয়াকৈ শিক্ষাৰ প্ৰসাৰ, সাম্প্ৰদায়িক সম্প্ৰীতি, স্বাস্থ্যৰ যতন আদিৰ বাবে প্ৰচেষ্টা চলাই আছে। এনে অনুষ্ঠানৰ সৈতে আমি সকলোৱে সহযোগ কৰা উচিত।

এই ক্ষেত্ৰত চৰকাৰৰ ভূমিকা অতিশয় গুৰুত্বপূৰ্ণ। চৰকাৰে বিভিন্ন জাতি-গোষ্ঠীবিলাকৰ সমস্যাসমূহ সমাধান কৰিবৰ বাবে যত্ন কৰিব লাগে। এই সমস্যা কেৱল আইন-শৃংখলাজনিত সমস্যাই নহয়। তদুপৰি অৰ্থনৈতিক অনগ্ৰসৰতা, আৰু শিক্ষাৰ অভাৱেও এই সমস্যা বিলাকক জটিল কৰি তুলিছে। চৰকাৰে অৰ্থনৈতিক উন্নয়ন, নিয়োগৰ সা-সুবিধা বৃদ্ধি কৰাটো নিতান্তই প্ৰয়োজন।

পৰিশেষত এই কথা উল্লেখ কৰিব পাৰি যে ভাৰতবৰ্ষৰ দৰে বহুজাতিক, বহু ভাষা, বহু গোষ্ঠীৰ এখন দেশত কিছু সমস্যা থাকিবই। কিন্তু এনে সমস্যা সমাধানৰ বাবে যদি সকলোৱেই নিজে নিজৰ পথ উলিয়ায় তেন্তে অৰাজকতাৰ সৃষ্টি হ'ব। দেশৰ অখণ্ডতা বিপন্ন হ'লে ব্যক্তি স্বাধীনতা অধিকাৰ আদি সকলো বিলাক অৰ্থহীন। গতিকে আমি সকলো ভাৰতীয়ই দেশৰ ঐক্য, সংহতি তথা সাৰ্বভৌমত্ব বজাই ৰাখিবৰ বাবে যত্ন কৰিব লাগে।

## ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতি
## (Directive Principles of State Policy)

আধুনিক গণতান্ত্ৰিক ৰাষ্ট্ৰসমূহে নিজকে এখন জনকল্যাণকামী ৰাষ্ট্ৰ হিচাবে প্ৰতিষ্ঠা কৰাৰ লক্ষ্য বান্ধি লোৱা দেখা গৈছে। জনকল্যাণকামী ৰাষ্ট্ৰ হিচাবে প্ৰতিষ্ঠিত হ'বৰ বাবে সংবিধানত কিছুমান কল্যাণকামী আঁচনিও সন্নিবিষ্ট কৰিছে। ভাৰতবৰ্ষইও নিজকে এখন জনকল্যাণকামী ৰাষ্ট্ৰ হিচাবে প্ৰতিষ্ঠা কৰাৰ লক্ষ্য স্থিৰ কৰি লৈছে আৰু এই উদ্দেশ্য সাধনৰ অৰ্থে প্ৰস্তাৱনাত উল্লেখ কৰা আদৰ্শৰ লগত সংগতি ৰাখি কিছুমান নীতি-নিৰ্দেশনা সংবিধানত সন্নিবিষ্ট কৰিছে। এই নিৰ্দেশাত্মক নীতিসমূহ সংবিধানৰ চতুৰ্থ খণ্ডই সামৰা ৩৬-৫১ নং অনুচ্ছেদত উল্লেখ কৰা হৈছে। এই নিৰ্দেশাত্মক নীতিসমূহৰ মুখ্য উদ্দেশ্য হৈছে ভাৰতক এখন জনকল্যাণকামী ৰাষ্ট্ৰত পৰিণত কৰাৰ বাবে চৰকাৰক কিছুমান নীতি মানি চলি কাৰ্যপন্থা হাতত ল'বলৈ নিৰ্দেশ দিয়া। বিখ্যাত সংবিধান বিশেষজ্ঞ ড° বি. এন. ৰাওৰ মতে, এই নিৰ্দেশাত্মক নীতিসমূহ ৰাষ্ট্ৰীয় কৰ্তৃপক্ষৰ ওচৰত নৈতিক বিধানৰ সমতুল্য। এইনীতি ৰাষ্ট্ৰৰ আইন বিভাগ আৰু শাসন বিভাগ দুয়োটাৰে বাবে ৰচনা কৰা হৈছে। ভাৰতীয় সংবিধানৰ মূল ব্যক্তি ড° বি. আৰ. আম্বেদকাৰে কৈছিল এনেদৰে— সংবিধানৰ যোগেদি জনসাধাৰণৰ প্ৰতিনিধিসকল কেনেকৈ ক্ষমতাত অধিষ্ঠিত হ'ব কেৱল সেই নিৰ্দেশ দিয়াই আমাৰ কৰ্তব্য নহয়। যিসকলে চৰকাৰ গঠন কৰিব তেওঁলোকৰ বাবে আদৰ্শ স্থাপন কৰাও

সংবিধানৰ কাম। নির্দেশাত্মক নীতিসমূহ এখন সমাজতান্ত্রিক দেশৰ সাৰাংশৰ বাদে আন একো নহয়। আমি এই নির্দেশাত্মক নীতিসমূহৰ যোগেদি অর্থনৈতিক আৰু সামাজিক গণতন্ত্র প্রতিষ্ঠাৰ আদর্শকে দাঙি ধৰিছোঁ।

নির্দেশাত্মক নীতিসমূহ বিভিন্ন দেশৰ সংবিধানত সন্নিবিষ্ট কৰা আছে যদিও ভাৰতীয় সংবিধানৰ প্রণেতাসকলে এই ক্ষেত্রত আয়াৰলেণ্ডৰ সংবিধানৰ দ্বাৰাই বিশেষভাৱে প্ৰভাৱান্বিত হৈছিল। এই নির্দেশাত্মক নীতিসমূহ ১৯৩৭ চনৰ আয়াৰলেণ্ড সংবিধানৰ পৰা লোৱা হৈছে। বিশ্বৰ বিভিন্ন সংবিধানে এনে নির্দেশাত্মক নীতিৰ অন্তৰ্ভুক্ত কৰিছে। আইৰিচ সংবিধানৰ উপৰিও স্পেইনৰ সংবিধানত নির্দেশাত্মক নীতিৰ অন্তর্ভুক্ত কৰা হৈছিল। বিশ্বৰ যুগান্তকাৰী বিপ্লৱ সমূহ যেনে— ফৰাচী বিপ্লৱ, আমেৰিকাৰ স্বাধীনতা যুদ্ধৰ পাচত ঘোষণা কৰা মানৱ অধিকাৰ আদি নীতিৰ ভিত্তিত এনে নির্দেশাত্মক নীতি সমূহ যুগুত কৰা হৈছে।

**নির্দেশাত্মক নীতিৰ অর্থ আৰু গুৰুত্ব (Meaning and Importance of Directive Principles):** এই নির্দেশাত্মক নীতি বিলাকক নির্দেশাত্মক বোলা হৈছে, কিয়নো সমাজৰ বিকাশৰ বাবে চৰকাৰক কিছুমান কাৰ্য্য কৰিবলৈ নির্দেশ দিয়া হৈছে। উদাহৰণস্বৰূপে— সংবিধানৰ ৩৭ নং অনুচ্ছেদত দেশৰ শাসনকার্যৰ ক্ষেত্রত এইবিলাক কিছুমান মৌলিক নীতি আৰু বিধি-বিধান ৰচনা কৰাৰ সময়ত এই নীতি কাৰ্য্যকৰী কৰাটো চৰকাৰৰ দায়িত্ব হ'ব।

**চাৰ আইভৰ জেনিংছ (Sir Ivor Jennings)**-ৰ মতে, ভাৰতীয় সংবিধানত গ্ৰহণ কৰা নির্দেশাত্মক নীতিত ফেবিয়ান সমাজবাদৰ প্ৰভাৱ আছে। 'সমাজবাদ' শব্দটো ব্যৱহাৰ নকৰাকৈ 'ফেবিয়ান সমাজবাদৰ' নীতি কিছুমান ইয়াত অন্তর্ভুক্ত কৰা আছে।

সংবিধান বিশেষজ্ঞ **ডি. ডি. বসু (D. D. Basu)**ৰ মতে, ১৯৪৯ চনত ৰচনা কৰা আৰু প্ৰণয়ন কৰা এই সংবিধানখন কোনো বিশেষ বাদ (ism)-অৰ প্রতি দৃষ্টি ৰাখি ৰচনা কৰা হোৱা নাছিল। এই নীতি বিলাক হৈছে ব্যক্তিবাদ আৰু সমাজবাদৰ এক অপূৰ্ব সংমিশ্রণ।

প্রকৃতার্থত, এই নীতিবিলাকে প্ৰস্তাৱনাত উল্লেখ কৰা আদর্শসমূহ বাস্তৱত ৰূপায়িত কৰিবৰ বাবে এক বলিষ্ঠ প্রচেষ্টা চলাইছে। প্ৰস্তাৱনাত ভাৰতীয় জনসাধাৰণক সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক ন্যায়ৰ আশ্বাস দিয়া আছে। মৌলিক অধিকাৰে প্রধানতঃ ৰাজনৈতিক আৰু সামাজিক ন্যায়ৰ ওপৰতহে গুৰুত্ব দিছে। কিন্তু এই নির্দেশাত্মক নীতি বিলাকে অর্থনৈতিক, সামাজিক, আদি ন্যায়ৰ ব্যৱস্থা কৰিছে। এই নীতি বিলাকে অর্থনৈতিক আৰু সামাজিক গণতন্ত্রৰ স্থাপন কৰিছে। সেয়েহে এই নীতি বিলাকৰ গুৰুত্ব অতি বেছি। এই নীতিবিলাকে ভাৰতবৰ্ষক এখন কল্যাণকামী ৰাষ্ট্ৰ হিচাপে স্থাপন কৰিছে। এই নীতি বিলাক বাদযোগ্য (Justiciable) নহয় যদিও ৰাষ্ট্ৰই সমাজৰ বিকাশৰ বাবে কিছুমান কাৰ্য্য হাতত ল'ব পাৰে। ৪২ তম সংবিধান সংশোধনীৰ পাচত চৰকাৰৰ এই নীতি সমূহে এক নতুন দিশ লয়। সমাজৰ সকলো শ্ৰেণীৰ বিকাশৰ বাবে বিভিন্ন সামাজিক, অর্থনৈতিক আঁচনি হাতত লোৱা হয়। চৰকাৰে হাতত লোৱা বিভিন্ন কল্যাণমূলক আঁচনি এই নির্দেশাত্মক নীতিৰ যোগেদি লোৱা হৈছে। সেয়েহে এই নীতি সমূহ অতি গুৰুত্বপূর্ণ।

ড° বি. আৰ. আম্বেদকাৰৰ মতে, এই নীতি বিলাক আধুনিক গণতান্ত্রিক ৰাষ্ট্ৰৰ আধাৰ। তেওঁৰ মতে, "এই নীতিবিলাকে স্পষ্ট কৰি দিয়ে যে আমাৰ আদর্শ হৈছে অর্থনৈতিক গণতন্ত্র স্থাপন কৰা"। তেওঁ পুনৰ কৈছে— "কিমান দিনলৈকে সামাজিক আৰু অর্থনৈতিক সমতা আমি আঁতৰাই ৰাখিম? এনে কৰিলে আমাৰ ৰাজনৈতিক গণতন্ত্র বিপদাপন্ন হ'ব। আমি এই দ্বন্দ্ব দূৰ কৰিব লাগিব; নহ'লে অসমতাৰ ভুক্তভোগী লোকসকলে ৰাজনৈতিক ব্যৱস্থাটো থান-বান কৰি পেলাব ..." আম্বেদকাৰৰ এই উক্তিয়ে নির্দেশাত্মক নীতিৰ আদর্শ স্পষ্ট কৰি দিছে। সংবিধানৰ তৃতীয় অধ্যায়ত অন্তর্ভুক্ত কৰা মৌলিক অধিকাৰ আৰু এই নির্দেশক নীতিসমূহ দুয়োটাই দুয়োৰে

পৰিপূৰক। ৰাজনৈতিক গণতন্ত্ৰৰ কোনো মূল্য নাই; যদি অৰ্থনৈতিক আৰু সামাজিক গণতন্ত্ৰ স্থাপন নহয়। মৌলিক অধিকাৰে ৰাজনৈতিক গণতন্ত্ৰ স্থাপন কৰিছে আৰু নিৰ্দেশাত্মক নীতি সমূহে সামাজিক আৰু অৰ্থনৈতিক গণতন্ত্ৰ স্থাপন কৰিছে। সেয়েহে দুয়োটাই দুয়োটাৰে পৰিপূৰক।

**ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতি**

**উদ্দেশ্য (Goal)**

- জনসাধাৰণৰ কল্যাণসাধন;
- সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায়
- কুটিৰ শিল্পসমূহৰ বিকাশ সাধন কৰা;
- জীৱন ধাৰণৰ মানৰ উন্নতি সাধন কৰা;
- ৰাষ্ট্ৰীয় সম্পদ সম-বিতৰণ;
- আন্তঃৰাষ্ট্ৰীয় শান্তিৰ উন্নতি সাধন।

**লক্ষ্য (Policies)**

- সমৰূপী দেৱানী বিধি প্ৰৱৰ্তন কৰা;
- মাদক দ্ৰব্য ব্যৱহাৰ নিষিদ্ধ কৰা;
- নিশ্চিত তথা সুৰক্ষিত কৰা;
- উপকাৰী জন্তু হত্যা বন্ধ কৰা;
- স্থানীয় প্ৰশাসনৰ গোট হিচাপে গাঁও পঞ্চায়ত গঠন কৰা

**অ-বাদযোগ্য অধিকাৰ (Non-Justiciable)**

- জীৱন নিৰ্বাহৰ বাবে উপযুক্ত আয়ৰ ব্যৱস্থা কৰা;
- মতা-তিৰোতা নিৰ্বিশেষে সমান কামৰ বাবে সমান মজুৰি দিয়া;
- কৰ্মৰ অধিকাৰ;
- শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ প্ৰৱৰ্তন কৰা।

**নিৰ্দেশাত্মক নীতিসমূহৰ সাংবিধানিক তাৎপৰ্য্য (Constitutional Significance of Directive Principles):** এই নিৰ্দেশাত্মক নীতিৰ সাংবিধানিক গুৰুত্বৰ ওপৰত তলত দিয়া দিশসমূহ উল্লেখ কৰিব পাৰি :

(১) ৩৭ নং অনুচ্ছেদৰ মতে, দেশৰ শাসনকাৰ্য্য পৰিচালনাৰ ক্ষেত্ৰত এই নিৰ্দেশাত্মক নীতি সমূহ কিছুমান মৌলিক নীতি আৰু বিধি-বিধান ৰচনা কৰাৰ সময়ত এই নীতি কাৰ্যকৰী কৰাটো চৰকাৰৰ দায়িত্ব হ'ব। অৰ্থাৎ, চৰকাৰে এইবিলাক ৰূপায়িত নকৰিলেও কোনেও চৰকাৰক আদালতলৈ টানি আনিব নোৱাৰে।

(২) এই নিৰ্দেশাত্মক নীতিবিলাকক স্বতন্ত্ৰ ভাৱে বাস্তৱত ৰূপায়িত কৰিব নোৱাৰি। এইবিলাক কেৱল বিধানসভাত প্ৰণোদিত আইনৰ যোগেদিহে ৰূপায়িত কৰিব পাৰি। এবাৰ আইন প্ৰণোদিত হোৱাৰ পাচত কোনেও এই নীতিবিলাক ভংগ কৰিব নোৱাৰে।

(৩) এই নিৰ্দেশাত্মক নীতিবিলাক বাদযোগ্য নহয়। অৰ্থাৎ কোনোৱে এই নীতি ভংগ কৰিলে মৌলিক অধিকাৰৰ দৰে আদালতৰ কাষ চাপিব নোৱাৰি।

উপৰোক্ত যুক্তি কেইটাৰ পৰা এই কথা স্পষ্ট হৈ পৰিছে যে কেন্দ্ৰীয় বা ৰাজ্যিক চৰকাৰে এই নীতিবিলাকক বাস্তৱায়িত কৰিবৰ বাবে আইন প্ৰণয়ন নকৰালৈকে এই নীতি বিলাকৰ বিশেষ সাংবিধানিক গুৰুত্ব নাই। এইবিলাক ভংগ কৰিলেও আদালতৰ কাষ চাপিব পৰা নাযায় বা এই নীতি কাৰ্যকৰী কৰিবলৈ চৰকাৰক বাধ্য কৰাব পৰা নাযায়।

(৪) নিৰ্দেশক নীতিসমূহ আদালতৰ জৰিয়তে সাব্যস্ত কৰিব নোৱাৰি যদিও এই নীতিসমূহ তাৎপৰ্য্যহীন নহয়। উচ্চতম ন্যায়ালয়ে সময়ে সময়ে এই নীতি সমূহৰ সাংবিধানিক তাৎপৰ্য্য ব্যাখ্যা কৰি আহিছে। তদুপৰি চৰকাৰে এই নীতিসমূহ বাস্তৱত ৰূপায়ণ নকৰিলে জনসাধাৰণৰ ওচৰত কৈফিয়ৎ তলব কৰিব লাগিব।


(৫) ১৯৫০-১৯৬৬ চনলৈকে এই সময়ছোৱাত নিৰ্দেশাত্মক নীতিসমূহ বাস্তৱত ৰূপায়ণ কৰিবৰ বাবে মৌলিক অধিকাৰ সংশোধন কৰা হৈছিল। কিন্তু উচ্চতম ন্যায়ালয়ে ১৯৬৭ চনত নিৰ্দেশাত্মক নীতি ৰূপায়ণ কৰিবৰ বাবে মৌলিক অধিকাৰ সংশোধন কৰাৰ প্ৰক্ৰিয়াক অবৈধ বুলি ঘোষণা কৰে।

(৬) চৰকাৰে ২৪ তম সংবিধান সংশোধনী বিধেয়কৰ জৰিয়তে মৌলিক অধিকাৰ সংশোধন কৰি নিৰ্দেশাত্মক নীতি ৰূপায়ণ কৰিবৰ যত্ন কৰিছিল। ১৯৭৩ চনৰ কেশবানন্দী ভাৰতী নামৰ ঐতিহাসিক ৰায়টো কোৱা হয় যে মৌলিক অধিকাৰ সংশোধন কৰিব পৰা যায়। অৰ্থাৎ, এই সময়ছোৱাত নিৰ্দেশাত্মক নীতিৰ গুৰুত্বতা বৃদ্ধি পাইছিল।

(৭) ৪২ তম সংবিধান সংশোধনী বিধেয়কে এক অভূতপূৰ্ব পৰিৱৰ্তন সাধে। এই নিৰ্দেশাত্মক নীতিসমূহ বাস্তৱত ৰূপায়িত কৰিবৰ বাবে সংসদক অভূতপূৰ্ব ক্ষমতা দিয়া হয়। মৌলিক অধিকাৰক নিৰ্দেশাত্মক নীতিৰ সহযোগী (Subordinate) হিচাপে ঘোষণা কৰা হ'ল।

(৮) কিন্তু ১৯৮০ চনৰ পাছত নিৰ্দেশাত্মক নীতি আকৌ মৌলিক অধিকাৰৰ সহযোগী হিচাপে ঘোষণা কৰা হ'ল। মিনাৰাভা মিল (১৯৮০) ৰায়টোও উচ্চতম ন্যায়ালয়ে ঘোষণা কৰিলে যে নিৰ্দেশাত্মক নীতিবিলাক মৌলিক অধিকাৰৰ সহযোগী; অৱশ্যে প্ৰয়োজন হ'লে মৌলিক অধিকাৰ সংশোধন কৰিব পৰা যাব বুলিও ঘোষণা কৰা হয়।

ভাৰতৰ সংবিধানত সন্নিৱিষ্ট ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দ্দেশাত্মক নীতিসমূহঃ ভাৰতীয় সংবিধানত সন্নিবিষ্ট কৰা নিৰ্দেশাত্মক নীতিসমূহক চাৰিটা বিশেষ শ্ৰেণীত ভগাব পৰা যায়— এই কেইটা হৈছে, অৰ্থনৈতিক, সামাজিক, গান্ধীবাদী, ৰাজনৈতিক আৰু আন্তঃৰাষ্ট্ৰীয় নীতি। এই নীতিসমূহ ৩৬-৫১ নং অনুচ্ছেদলৈকে মুঠ ১৬ টা অনুচ্ছেদত আলোচনা কৰা হৈছে। ৩৬ আৰু ৩৭ নং অনুচ্ছেদে ৰাষ্ট্ৰ শব্দৰ ব্যাখ্যা আৰু নিৰ্দেশাত্মক নীতিৰ সাংবিধানিক তাৎপৰ্যৰ বিষয়ে উল্লেখ কৰিছে। বাকী ১৪ টা অনুচ্ছেদত নিৰ্দেশাত্মক নীতিসমূহৰ বিষয়ে আলোচনা কৰা হৈছে।



**(ক) অৰ্থনৈতিক নীতি (Economic Principles):** অৰ্থনৈতিক নীতিসমূহৰ জৰিয়তে ভাৰতৰ জনগনৰ অৰ্থনৈতিক উন্নতিৰ হকে ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাষ্ট্ৰক সকিয়াই দিয়া হৈছে। এই বিলাকৰ ভিতৰত সামৰা ব্যৱস্থাৱলী এনেধৰণৰ—

(১) সকলো নাগৰিকৰ বাবে জীৱিকাৰ উন্নত আৰু পৰ্যাপ্ত উপায়ৰ ব্যৱস্থা কৰা। (অনুচ্ছেদ ৪৩)

(২) দেশৰ সম্পদৰাজী এমুঠি লোকৰ হাতত কেন্দ্ৰীভূত নহৈ সকলোৱে যাতে সমান আৰু ন্যায়সংগত ভাৱে লাভ কৰিব পাৰে তাৰ ব্যৱস্থা কৰা। (অনুচ্ছেদ ৩৯)

(৩) সমান কামৰ বাবে স্ত্ৰী আৰু পুৰুষ উভয়ে যাতে সমান হাৰত বেতন লাভ কৰে তাক সুনিশ্চিত কৰা। (অনুচ্ছেদ ৩৪)

(৪) সম্পদৰ ওপৰত মালিকনা স্বত্ত্বৰ সম বিতৰণ কৰা আৰু সামগ্ৰিকভৱে নিয়ন্ত্ৰণ সাব্যস্ত কৰা।

(৫) কোনো কামৰ বাবে বনুৱা নাবালক, নাইবা নাৰী-পুৰুষ কাকোৱেই কষ্ট নিদিয়া।

(৬) এজন ব্যক্তিক বয়স আৰু শক্তি অনুসাৰেহে কাম কৰিবলৈ দিয়া।

(৭) যুৱক আৰু শিশুক শোষণৰ পৰা ৰক্ষা কৰা।

(৮) নিৰনুৱা, বৃদ্ধ বয়স, বেমাৰ আদিৰ ক্ষেত্ৰত চৰকাৰী সাহাৰ্য আগবঢ়োৱা। (অনুচ্ছেদ ৪১)

(৯) জীয়াই থকাৰ বাবে নূন্যতম মজুৰি, কাম কৰিবৰ বাবে এক উপযুক্ত পৰিৱেশ আৰু জীয়াই থকাৰ নূন্যতম মানদণ্ডৰ বাবে চৰকাৰে যত্ন কৰিব। (অনুচ্ছেদ ৪৩)

(১০) উপাৰ্জনৰ ক্ষেত্ৰত থকা অসমতা দূৰ কৰা। (অনুচ্ছেদ ৩৮)

**(খ) সামাজিক নীতি (Social Principles):** সামাজিক নীতিসমূহৰ উদ্দেশ্য হৈছে দেশৰ সকলো শ্ৰেণীৰ লোকৰ মাজত সামাজিক ন্যায় প্ৰতিষ্ঠা কৰা। এই নীতিসমূহৰ ভিতৰত তলত উল্লেখ কৰা নীতিবিলাক সামৰা হৈছে—

(১) অনুন্নত আৰু অনগ্ৰসৰ শ্ৰেণীৰ লোকৰ শিক্ষা আৰু অৰ্থনৈতিক উন্নতি সাধনৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা। (অনুচ্ছেদ ৪৬)

(২) অৰ্থনৈতিক দুৰাৱস্থাৰ বাবে কোনো লোক যাতে ন্যায় লাভৰ পৰা বঞ্চিত হ'ব লগা নহয় তাৰ বাবে বিনামূলীয়া আইনী সাহায্য প্ৰদান কৰাৰ ব্যৱস্থা কৰা। (অনুচ্ছেদ ৩৯)

(৩) অনুসূচিত জাতি আৰু জনজাতি লোকসকলৰ বিকাশৰ বাবে বিশেষ ব্যৱস্থা ল'ব। তদুপৰি এনে লোকসকল যাতে কোনো প্ৰকাৰৰ শোষণৰ বলি নহয়, তাৰ ব্যৱস্থা ল'ব। (অনুচ্ছেদ ৪৬)

(৪) বিভিন্ন ক্ষেত্ৰত থকা লোকসকলৰ মাজত সা-সুবিধা, মৰ্যদাৰ অসমতা দুৰ কৰিবৰ বাবে যত্ন কৰা। (অনুচ্ছেদ ৩৮)

(৫) ১৪ বছৰলৈকে সকলো শিশুক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰা। (অনুচ্ছেদ ৪৫)

**(গ) ৰাজনৈতিক নীতি (Political Principles):** ৰাষ্ট্ৰক জড়িত কৰি, তথা ৰাজনৈতিক ব্যৱস্থাটোক লৈ যিবিলাক নীতি বনোৱা হৈছে সেইবিলাকক ৰাজনৈতিক নীতি বুলিব পাৰি—

(১) সকলো সম্প্ৰদায়ৰ বাবে একে আইন প্ৰযোজ্য কৰাৰ বাবে যত্ন কৰিব। (অনুচ্ছেদ ৪৪)

(২) ন্যায়ালয়ক কাৰ্যপালিকাৰ পৰা পৃথক কৰিবৰ বাবে যত্ন কৰিব। (অনুচ্ছেদ ৫০)

(৩) ৰাষ্ট্ৰই সকলো লোকৰ কল্যাণৰ বাবে যত্ন কৰিব। এইবাবে ৰাষ্ট্ৰই সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায়ৰ বাবে যত্ন কৰিব। (অনুচ্ছেদ ৩৮)

(৪) আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিশ্ব-শান্তি আৰু সৌহাদ্যৰ বাবে ৰাষ্ট্ৰই যত্ন কৰিব। (অনুচ্ছেদ ৫১)

**(ঘ) গান্ধীবাদী নীতি (Gandhian Principles):** জাতিৰ পিতা মহাত্মা গান্ধীৰ ভাবাদৰ্শক বাস্তৱত ৰূপ দিয়াৰ অৰ্থে নিৰ্দেশাত্মক নীতিসমূহৰ জৰিয়তে কিছু ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই বিলাকৰ ভিতৰত আছে—

(১) ৰাষ্ট্ৰই গাঁও পঞ্চায়ত বিলাকক স্থানীয় স্বায়ত্বশাসনৰ এক প্ৰাথমিক গোট হিচাপে গঢ়ি তোলাৰ ব্যৱস্থা কৰা। (অনুচ্ছেদ ৪০)

(২) গাঁও অঞ্চলত ব্যক্তিগত আৰু সমবায় ভিত্তিত কুটীৰ শিল্প গঢ়ি তোলাৰ ব্যৱস্থা কৰা। (অনুচ্ছেদ ৪৩)

(৩) উদ্যোগ তথা বিভিন্ন সংস্থাৰ পৰিচালনাৰ ক্ষেত্ৰত বনুৱাৰ অংশগ্ৰহণ স্বীকৃতি দিয়া। (অনুচ্ছেদ ৪৩)।

(৪) খাদ্যদ্ৰব্যৰ মান, জনসাধাৰণৰ স্বাস্থ্য আৰু জীৱনধাৰণৰ মান উন্নত কৰাৰ বাবে ব্যৱস্থা লোৱা। (অনুচ্ছেদ ৪৭)

(৫) ঔষধ হিচাপে ব্যৱহাৰ কৰাৰ বাদে আন উদেশ্যেত মদ আৰু অন্যান্য মাদক দ্ৰব্য ব্যৱহাৰ কৰাটো নিষিদ্ধ কৰাৰ ব্যৱস্থা লোৱা। (অনুচ্ছেদ ৪৭)

(৬) গাই-গৰু পোৱালি, বোজা কঢ়িওৱা পশুকে ধৰি অন্যান্য ঘৰচীয়া পশু বধ কৰাটো ৰোধ কৰাৰ বাবে ব্যৱস্থা লোৱা। (অনুচ্ছেদ ৪৮)

(৭) আধুনিক বৈজ্ঞানিক পদ্ধতি প্ৰয়োগ কৰি কৃষি আৰু পশু পালনৰ ব্যৱস্থা কৰা। (অনুচ্ছেদ ৪৮)

(৮) প্ৰাকৃতিক পৰিৱেশ উন্নত কৰা তথা দেশৰ বনাঞ্চল সুৰক্ষিত কৰা। (অনুচ্ছেদ ৪৮-ক)

(৯) অতীতৰ শিল্পকলা, ঐতিহাসিক স্মৃতি বিজৰিত মঠ-মন্দিৰ আদিৰ সংৰক্ষণৰ ব্যৱস্থা কৰা। (অনুচ্ছেদ ৪৯)

**(ঙ) আন্তঃৰাষ্ট্ৰীয় নীতি (International Principles):** বিশ্বৰ কোনো দেশে অন্য দেশৰ লগত সহযোগিতা নকৰাকৈ থাকিব নোৱাৰে। শিক্ষাৰ প্ৰচাৰ, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতি আদি বিভিন্ন কাৰণত বৰ্তমান যুগৰ দেশসমূহৰ মাজত আন্তৰ্জাতিক সহযোগিতা বৃদ্ধি পাই আহিছে। নিৰ্দেশাত্মক নীতিয়ে আন্তঃৰাষ্ট্ৰীয় দিশত পালন কৰিব লগা কিছুমান নীতিও উল্লেখ কৰিছে। ৫১ নং অনুচ্ছেদত এই নীতিসমূহ দিয়া হৈছে—

(১) আন্তৰ্জাতিক শান্তি, বুজাপৰা, নিৰাপত্তা বৃদ্ধি কৰা আৰু বিভিন্ন দেশৰ লগত ন্যায়সঙ্গত আৰু সন্মানজনক সম্পৰ্ক ৰক্ষা কৰাৰ বাবে ব্যৱস্থা কৰা।

(২) আন্তৰ্জাতিক আইন আৰু চুক্তিৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰা।

(৩) মধ্যস্থতাৰ দ্বাৰা অৰ্থাৎ সৌহাদ্যপূৰ্ণ আলোচনাৰ দ্বাৰা আন্তৰ্জাতিক বিবাদৰ মীমাংসা কৰা।

**নির্দেশাত্মক নীতিসমূহৰ প্ৰয়োগ (Implementation of Directive Principles of State Policies):** সংবিধানখন প্ৰণয়ন হোৱাৰ দিনৰে পৰা এই নির্দেশক নীতি সমূহ বাস্তৱত ৰূপায়ণ কৰিবৰ বাবে চৰকাৰে যত্ন কৰি আছে। স্বাধীনতাৰ পাচত ৰূপায়ণ কৰা সকলোবিলাক নির্দেশক নীতি ইয়াত লিপিবদ্ধ কৰাটো সম্ভৱপৰ নহয় যদিও গুৰুত্বপূর্ণ কিছুমান তলত দিয়া ধৰণেৰে উল্লেখ কৰিব পাৰিঃ

(১) অনুচ্ছেদ ৩৯ (খ) নংৰ মৰ্মে ৰাষ্ট্ৰই বিভিন্ন অর্থনৈতিক কার্য্যসূচী হাতত লৈছে। ৰাষ্ট্ৰীয় সম্পদ যাতে জনসাধাৰণৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে ব্যৱহাৰ কৰা হয় তাৰ প্ৰতি যত্ন কৰা হৈছে। ভাৰতবৰ্ষৰ দৰে কৃষিপ্ৰধান দেশখনত জনসাধাৰণক ভূমি প্ৰদান কৰিবৰ বাবে বিভিন্ন ব্যৱস্থা হাতত লোৱা হৈছে।

(২) জমিদাৰী প্ৰথাৰ উচ্ছেদ সাধন কৰা হৈছে আৰু কৃষক সকলৰ নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে। কিছুমান ৰাজ্যত খেতিৰ মাটিৰ উৰ্দ্ধতম সীমা নির্ধাৰণ কৰি দিয়া হৈছে। সেইদৰে চৰ অঞ্চলৰ ক্ষেত্ৰতো ভূমি সম্পত্তিৰ উৰ্দ্ধতম সীমা নির্ধাৰণ কৰি দিয়া হৈছে।

(৩) পঞ্চায়তীৰাজ ব্যৱস্থাৰ সৃষ্টি কৰি গাঁও অঞ্চলৰ উন্নতিৰ দায়িত্ব পালন কৰা হৈছে। এই ক্ষেত্ৰত সংবিধানৰ ৭৩ আৰু ৭৪ তম সংশোধনী আইন বিশেষভাৱে উল্লেখযোগ্য। এই সংশোধনীৰ জৰিয়তে পঞ্চায়তীৰাজ তথা নগৰপালিকা গোট বিলাকক অধিক শক্তিশালী কৰি তোলা হৈছে।

(৪) সমাজৰ অনগ্ৰসৰ তথা অনুসূচীত জাতি আৰু জনজাতিৰ বিকাশৰ বাবে বিশেষ ব্যৱস্থা কৰা হৈছে। ৰাজহুৱা নিয়োগ ব্যৱস্থাত তথা শিক্ষাৰ নামভৰ্তিৰ ক্ষেত্ৰতো তেওঁলোকৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি এই সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষালাভৰ কাৰণে বিশেষ জলপানিৰ ব্যৱস্থা কৰা হৈছে।

(৫) কুটীৰ শিল্পৰ বিকাশৰ বাবেও যত্ন কৰা হৈছে। খাদীৰ্বড়', হস্ত-তাঁত, আৰ্টফেড় আদি কিছুমান বোৰ্ড সৃষ্টি কৰি এই শিল্পৰ বিকাশৰ বাবে যত্ন কৰা হৈছে।

(৬) প্ৰায়বিলাক ৰাজ্যতে ১৪ বছৰ পৰ্য্যন্ত বিনামূলীয়া তথা বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ প্ৰচলন কৰা হৈছে।

(৭) মানুহৰ জীৱন ধাৰাৰ মানদণ্ড উন্নয়ন কৰাৰ বাবে বিভিন্ন ব্যৱস্থা হাতত লৈছে। ১৯৫২ চনত সামুহিক উন্নয়ন প্ৰকল্প, ৰাষ্ট্ৰীয় গ্ৰাম্য নিযুক্তি আঁচনি আদি বিভিন্ন কল্যাণমূলক আঁচনি চৰকাৰে হাতত লোৱা পৰিলক্ষিত হৈছে।

(৮) ৰাগীয়াল বস্তুৰ ব্যৱহাৰ ৰোধ কৰিবৰ বাবেও বিভিন্ন ব্যৱস্থা হাতত লোৱা হৈছে। হাৰিয়ানা, অন্ধ্ৰ প্ৰদেশৰ দৰে ৰাজ্যবিলাকত মাদক দ্ৰব্য সম্পূৰ্ণ ৰূপে বন্ধ কৰা হৈছে।

(৯) প্ৰায়বিলাক ৰাজ্যতেই কাৰ্য্যপালিকাক বিচাৰ বিভাগৰ পৰা পৃথক কৰা হৈছে।

(১০) আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত ভাৰতে সদায় বিশ্ব-শান্তি আৰু সহযোগিতাৰ হকে মাত মাতি আহিছে। গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ যোগেদি ভাৰতে সদায় সাম্ৰাজ্যবাদ তথা বৰ্ণ-বৈষম্য নীতিৰ বিৰোধীতা কৰি আহিছে।

(১১) বিভিন্ন আইনৰ যোগেদি শিশু তথা নাৰীক সুৰক্ষা দি অহা হৈছে। শিশুক শাৰীৰিকভাৱে বিপদজনক উদ্যোগত নিযুক্তি দিয়াটো বন্ধ কৰা হৈছে।

(১২) বিভিন্ন চৰকাৰী খণ্ডতো মহিলাৰ সুৰক্ষাৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। এইক্ষেত্ৰত সংবিধানৰ ৭৩ আৰু ৭৪ তম সংশোধনী আইন বিশেষভাৱে উল্লেখযোগ্য।

ওপৰৰ আলোচনাৰ পৰা ক'ব পৰা যায় যে চৰকাৰে উপযুক্ত আৰু ফলপ্ৰসু আঁচনি গ্ৰহণ কৰি নিৰ্দেশাত্মক নীতি সমূহৰ ওপৰত আৰু অধিক মনোযোগ দিব লাগিব আৰু তেতিয়াহে দেশত প্ৰকৃত অৰ্থত অৰ্থনৈতিক সামাজিক তথা ৰাজনৈতিক ন্যায় প্ৰতিষ্ঠা হ'ব। অৱশ্যে জনসাধাৰণেও এই ক্ষেত্ৰত চৰকাৰৰ লগত সহযোগিতা আগবঢ়াব লাগিব।

**মৌলিক অধিকাৰ আৰু নিৰ্দেশাত্মক নীতিৰ মাজত পাৰ্থক্যঃ** নাগৰিকৰ মৌলিক অধিকাৰ আৰু ৰাষ্ট্ৰ নিৰ্দেশাত্মক নীতিসমূহৰ মাজত থকা পাৰ্থক্য তলত উল্লেখ কৰা ধৰণৰ—

(১) মৌলিক অধিকাৰসমূহ আদালতৰ দ্বাৰা বলবৎ কৰাৰ ব্যৱস্থা আছে। অৰ্থাৎ চৰকাৰে নাগৰিকৰ মৌলিক অধিকাৰত হস্তক্ষেপ কৰিলে সেই অধিকাৰ অক্ষুণ্ণ ৰখাৰ বাবে ক্ষুণ্ণ হোৱা লোকজনে আদালতৰ সহায় ল'ব পাৰে। কিন্তু নিৰ্দেশাত্মক নীতিসমূহ আদালতৰ দ্বাৰা বলবৎ কৰিব পৰা নাযায়। চৰকাৰে এইবিলাক ভঙ্গ কৰিলেও নিৰাময়ৰ বাবে আদালতত গোচৰ উত্থাপন কৰিব নোৱাৰে।

(২) মৌলিক অধিকাৰৰ মুখ্য উদ্দেশ্য হৈছে ৰাজনৈতিক গণতন্ত্ৰ প্ৰতিষ্ঠা কৰা। কিন্তু অন্যহাতেদি নিৰ্দেশাত্মক নীতিৰ উদ্দেশ্য হৈছে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায় প্ৰতিষ্ঠা কৰা।

(৩) অনুচ্ছেদ ৩৫২ নং ৰ অধীনত ৰাষ্ট্ৰপতিয়ে জৰুৰীকালীন অৱস্থা ঘোষণা কৰি অনুচ্ছেদ ২০ আৰু ২১ নং ত অন্তৰ্ভুক্ত কৰা মৌলিক অধিকাৰৰ বাদে সকলো মৌলিক অধিকাৰেই বাতিল কৰিব পাৰে। কিন্তু অন্যহাতেদি নিৰ্দেশাত্মক নীতিসমূহ চৰকাৰে কাৰ্যকৰী নকৰালৈকে স্থায়ী হৈ থাকে।

(৪) মৌলিক অধিকাৰসমূহ নেতিবাচক অৰ্থাৎ চৰকাৰক কিছুমান কাম নকৰিবলৈ দিয়া পৰোক্ষ নিৰ্দেশ। আনহাতে ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতিসমূহ হ'ল ইতিবাচক অৰ্থাৎ চৰকাৰক কিছুমান কাম কৰিবলৈ দিয়া প্ৰত্যক্ষ নিৰ্দেশ।

(৫) নাগৰিকৰ মৌলিক অধিকাৰ আৰু ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতিৰ মাজত কোনো বিষয়লৈ বৈধতাৰ প্ৰশ্ন উঠিলে মৌলিক অধিকাৰে প্ৰাধান্য লাভ কৰিব, নিৰ্দেশাত্মক নীতিয়ে নহয়। ইয়াৰ পৰা এইটো স্পষ্ট যে নিৰ্দেশাত্মক নীতি সমূহতকৈ মৌলিক অধিকাৰৰ প্ৰাধান্য অধিক।

(৬) মৌলিক অধিকাৰসমূহ অবাধ নহয় কাৰণ এইবিলাকৰ ওপৰত ভালেমান বাধা আৰোপ কৰা হৈছে। কিন্তু আনহাতেদি নিৰ্দেশাত্মক নীতিসমূহৰ ক্ষেত্ৰত কোনো বাধা-নিষেধ আৰোপ কৰা হোৱা নাই। ৰাষ্ট্ৰৰ সম্পদৰ ওপৰত নিৰ্ভৰ কৰি চৰকাৰে এইবিলাক কাৰ্যকৰী কৰিব পাৰে।

(৭) ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতি কাৰ্যকৰী হ'লে আইন প্ৰণয়ন কৰিব লাগে। মৌলিক অধিকাৰৰ ক্ষেত্ৰত ইয়াৰ প্ৰয়োজন নাই।

(৮) গ্লেডহিল (Gledhill)-ৰ মতে, মৌলিক অধিকাৰে ৰাষ্ট্ৰক স্বেচ্ছাচাৰী হোৱাৰ পৰা বাৰণ কৰিছে। অৰ্থাৎ ৰাষ্ট্ৰক কিছুমান কাম কৰাৰ পৰা বাৰণ কৰা হৈছে। আনহাতে, এই নিৰ্দেশাত্মক নীতি বিলাকে ৰাষ্ট্ৰক কিছুমান কাৰ্য্যাৱলী হাতত ল'বলৈ নিৰ্দেশ দিছে। সেই মৰ্মে ৰাষ্ট্ৰই বিভিন্ন কল্যাণকামী কাৰ্য্য সমাপন কৰিছে।

(৯) মৌলিক অধিকাৰৰ লগত কৰ্তব্যৰ এক ওতপ্ৰোতঃ সম্পৰ্ক আছে। এই কৰ্তব্য সমূহ প্ৰত্যেক নাগৰিকে মানি চলা উচিত। অন্যহাতে নিৰ্দেশাত্মক নীতিৰ সুফল লাভ কৰিবলৈ হ'লে এনে কোনো কৰ্তব্য মানি চলিব নালাগে।

অৰ্থাৎ নিৰ্দেশাত্মক নীতি মৌলিক অধিকাৰ বিলাকৰ সহাযোগীহে। কিন্তু সমাজবাদী আদৰ্শসমূহ ৰূপায়ণ কৰিবলৈ মৌলিক অধিকাৰসমূহক (অনুচ্ছেদ ১৪ আৰু ১৯) সংশোধন কৰিব পৰা যায়।

**সমালোচনা (Criticism):** ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিসমূহ সমালোচনাৰ উৰ্দ্ধত নহয়। সমালোচকসকলে ইয়াক বিভিন্ন দিশৰ পৰা সমালোচনা কৰিছে।

**(১) আইনগত তাৎপৰ্যৰ অভাৱ (No legal significance)ঃ** ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিসমূহৰ কোনো আইনগত তাৎপৰ্য্য নাই। অৰ্থা ইবিলাক বিচাৰযোগ্য নহয়। ইবিলাক ভংগ কৰিলেও আইনৰ দ্বাৰা ইয়াক বলবৎ কৰিব পৰা নাযায়। এই ব্যৱস্থাই এই নীতিবিলাকৰ গুৰুত্ব হ্ৰাস কৰিছে। **এম অনন্ত নাৰায়ণৰ** মতে, "*Non-Justiciable and abstract Directive Principles which may be safely ignored by the Legislator do not enhance the true prestige of a Written Constitution*"। কোনো চৰকাৰে এই নীতিবোৰ কাৰ্যকৰী নকৰিলেও কোনেও আইনগত ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰে।

**(২) এই নীতিবোৰ কেৱল ঘোষণাহে মাথোন (Mere Declaration):** নিৰ্দেশাত্মক নীতিবোৰ কেৱল ঘোষণা বা পৰামৰ্শহে। এনে পৰামৰ্শ গ্ৰহণ কৰা নকৰাটো ৰাজ্য চৰকাৰৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰশীল। সংবিধানৰ মতে, এইবোৰ নীতি পালন কৰাটো বাধ্যতামূলক নহয় বা এই নীতিবোৰ কাৰ্যকৰী কৰিবলৈ কোনো নিৰ্দিষ্ট সময়সীমা বান্ধি দিয়া নাই। সম্ভৱপৰ হ'লেহে আইন পালিকাই এনে নীতিবোৰ কাৰ্যকৰী কৰে।

**(৩) পদ্ধতিগত ভাবে নীতিবোৰৰ তালিকা প্ৰস্তুত কৰা হোৱা নাই (Unsystematic Numeration):** এই নীতিবোৰ প্ৰণালীবদ্ধভাবে সজোৱা হোৱা নাই বা সঠিকভাবে শ্ৰেণীবদ্ধকৰণ কৰা হোৱা নাই বুলি অভিযোগ কৰা হয়। নিৰ্দেশাত্মক নীতিসমূহত অতি গুৰুত্বপূৰ্ণ অৰ্থনৈতিক আৰু সামাজিক সমস্যাৰ লগত কম গুৰুত্বপূৰ্ণ কিছুমান নীতি একেলগ কৰা হৈছে। মুঠতে বিশৃংখলভাবে নীতিৰ এখন তালিকাহে দিয়া হৈছে।

**(৪) কিছুমান নীতি প্ৰয়োগ কৰিব নোৱাৰি (Impracticability of some of the Principles):** সংবিধানৰ চতুৰ্থ অধ্যায়ত উল্লেখ কৰা কিছুমান নীতি বাস্তৱত প্ৰয়োগ কৰা অসুবিধা। উদাহৰণস্বৰূপে— মাদক দ্ৰব্য নিবাৰণৰ নিচিনা নীতিবোৰ চৰকাৰে কাৰ্যকৰী কৰিব পৰা নাই। হাৰিয়ানা চৰকাৰে মাদক দ্ৰব্য নিবাৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছিল কিন্তু পৰৱৰ্তী সময়ত তেনে ব্যৱস্থা উঠাই দিব লগা হয়। জনসাধাৰণৰ জাগৰণ আৰু ইচ্ছা শক্তি নহ'লে এই নীতি কাৰ্যকৰী কৰিব নোৱাৰি।

**(৫) স্পষ্টতাৰ অভাৱ (Lack of Clarity):** ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিৰ কিছুমান স্পষ্টতা নাই আৰু কিছুমান নীতিৰ চৰ্বিত চৰ্বন হৈছে। নিৰ্দেশাত্মক নীতিয়ে সকলো ৰাষ্ট্ৰৰ মাজত আন্তৰ্জাতিক শান্তি আৰু বন্ধুত্বপূৰ্ণ সহযোগিতাৰ কথা উল্লেখ কৰিছে যদিও এই নীতি কেনেদৰে কাৰ্যকৰী কৰিব তাৰ উল্লেখ নাই। সকলো সময়তে বন্ধুত্বপূৰ্ণ নীতিও সফল নহয়।

**(৬) কেৱল প্ৰতিশ্ৰুতি (Mere Promises):** নিৰ্দেশাত্মক নীতিসমূহ ধাৰ্মিক প্ৰতিশ্ৰুতিৰ দৰে। ৰাষ্ট্ৰই ন্যায়সংগতভাবে ক্ষমতা প্ৰয়োগ কৰিবৰ কাৰণে জনসাধাৰণৰ মংগলৰ কথা চিন্তা আৰু কাম কৰিবৰ কাৰণে এই নীতিবোৰ কেৱল ধৰ্মীয় প্ৰতিশ্ৰুতিৰ দৰে।

**(৭) নৈতিক আৰু দাৰ্শনিক ভিত্তি (Moral and Philisophical Foundation):** নৈতিক আৰু দাৰ্শনিক ভিত্তিত প্ৰতিষ্ঠিত এই নীতিবোৰ কাৰ্যক্ষেত্ৰত প্ৰয়োগৰ সম্ভাৱনা কম। এই নীতিবিলাকৰ কিছুমান বিদেশৰ দাৰ্শনিক ভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত। ফেবিয়ান সমাজবাদৰ দৰে দাৰ্শনিক ধাৰণাসমূহ বৰ্তমান আওপুৰণি হৈ পৰিছে।

**(৮) উচ্চতম নায়ালয়ৰ আগ্ৰহৰ অভাৱ (Lack of Interest of Supreme Court):** এই নীতিবিলাক বাস্তৱত ৰূপায়ন কৰিবৰ বাবে উচ্চতম ন্যায়লয়ৰ আগ্ৰহ কম। আনকি চৰকাৰে এই নীতিসমূহ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত লোৱা প্ৰচেষ্টাত ন্যায়ালয়ে বাধাও প্ৰদান কৰা দেখা গৈছে।

**(৯) সকলো সময়ৰ বাবে উপযোগী নহয় (Not Suitable for All Times):** নিৰ্দেশাত্মক নীতিসমূহ সকলো সময়ৰ বাবে উপযোগী নহ'বও পাৰে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে এই নীতিসমূহৰো পৰিৱৰ্তন হোৱাটো স্বাভাৱিক। কিন্তু ভাৰতীয় সংবিধানত ইয়াৰ পৰিৱৰ্তনৰ কোনো ব্যৱস্থা কোনো ব্যৱস্থা ৰখা নাই।

**(১০) বিজ্ঞানসন্মত নহয় (Not Scientific):** বহুতো সমালোচকে নিৰ্দেশাত্মক নীতিসমূহ বিজ্ঞানসন্মত নহয় বুলি অভিযোগ কৰে। তেওঁলোকৰ মতে, এই নীতিৰ কিছুমান মৌলিক অধিকাৰৰ অন্তৰ্ভুক্ত হোৱাৰহে প্ৰয়োজন।

**(১১) ভাৰতীয় সমাজ ব্যৱস্থাৰ বাবে অনুপযুক্ত (Not fit for Indian Society)ঃ** ভাৰতৰ সমাজ ব্যৱস্থা অতি জটিল। বৈচিত্ৰময় ভাৰতবৰ্ষৰ সমস্যা বিলাকো বৈচিত্ৰ্যময় আৰু জটিল। স্বাধীনতাৰ এই ষাঠি বছৰতো সমস্যাবিলাক সমাধান নোহোৱাত নিৰ্দেশাত্মক নীতিৰ গুৰুত্ব কমি আহিছে।

এনে সমালোচনা থকা সত্বেও নিৰ্দেশাত্মক নীতিবিলাকৰ গুৰুত্ব কোনো প্ৰকাৰে নুই কৰিব নোৱাৰি। এই নীতিৰ দ্বাৰা চৰকাৰে প্ৰশাসন চলোৱাত যথেষ্ট সহায়ক হৈছে। এই নীতিবিলাক কাৰ্যকৰী কৰা বা নকৰাৰ বাবে ন্যায়ালয়ৰ ওচৰত চৰকাৰ দায়বদ্ধ নহ'লেও জনসাধাৰণৰ ওচৰত দায়বদ্ধ।

ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাত এই নীতিসমূহৰ বিশেষ তাৎপৰ্য আছে। ৩৭ নং অনুচ্ছেদত উল্লেখ আছে যে দেশৰ প্ৰশাসনৰ ক্ষেত্ৰত এই নীতিসমূহক মৌলিক নীতি হিচাপে গণ্য কৰিব লাগে।

প্ৰকৃতাৰ্থত ক'বলৈ গ'লে চৰকাৰে এই নীতিসমূহ অৱহেলা কৰিব নোৱাৰে। এই নীতিসমূহৰ মাধ্যমেৰে জনসাধাৰণে চৰকাৰৰ যোগ্যতা বিচাৰ কৰিব পাৰে। আন কথাত ক'বলৈ গ'লে এই নীতিসমূহৰ ৰূপায়ণ কৰাৰ ক্ষেত্ৰত চৰকাৰে ৰাইজৰ আদালতত বিচাৰ দিব লাগিব। জনসাধাৰণো এই নীতিসমূহৰ ৰূপায়ণৰ ক্ষেত্ৰত সজাগ হ'ব লাগিব। এই নীতিসমূহ প্ৰকৃতাৰ্থত কাৰ্যকৰী কৰিব পাৰিলেহে প্ৰকৃত সামাজিক অৰ্থনৈতিক বিপ্লৱৰ সূচনা হ'ব।

**কিছুমান উল্লেখযোগ্য উক্তি (Some important Quotations):**

(১) **জি. অষ্টিনঃ** "নিৰ্দেশাত্মক নীতিৰ মূল উদ্দেশ্য হৈছে সামাজিক বিপ্লৱৰ লক্ষ্য আগবঢ়াই নিয়া নাইবা এই বিপ্লৱৰ বাবে প্ৰয়োজন হোৱা পৰিৱেশ গঢ়ি তোলা"।

(২) **ডাঃ আম্বেদকাৰঃ** "ৰাজনৈতিক গণতন্ত্ৰ স্থাপন কৰাৰ লগে লগে এইটো আমাৰ ইচ্ছা যে আমি অৰ্থনৈতিক গণতন্ত্ৰও সমানে স্থাপন কৰোঁ"।

(৩) **ডাঃ আম্বেদকাৰঃ** "ক্ষমতাত অধিষ্ঠিত যি চৰকাৰেই নহওক কিয়, সকলোৱে নিৰ্দেশাত্মক নীতিসমূহক সন্মান কৰিব লাগিব; কোনো চৰকাৰে এইবিলাক অৱহেলা কৰিব নোৱাৰে। এইবিলাক ভংগ কৰিলে চৰকাৰ আইন ভংগৰ কাৰণে কাঠগড়াত থিয় হ'ব নালাগে, কিন্তু নিৰ্বাচনৰ সময়ত জনসাধাৰণৰ ওচৰত জবাব দিব লাগিব"।